ISSN 2321-4945

वर्ष : 8 ◆ अंक : 1 ◆ अप्रैल, 2016

# राष्ट्रसेवक



Scanned with CamScanner

क हृदय हो भारत जननी

असम राष्ट्रभाषा प्रचार समिति, गुवाहाटी

द्रीय हिंदी निदेशालय, मानव संसाधन विकास मंत्रालय, भारत सरकार के आर्थिक सहयोग से प्रकाशित]

*सलाहकार*

श्री हरिकांत नाथ

डॉ. अच्युत शर्मा

डॉ. ताराकांत झा

श्री गोलोक चंद्र नाथ

श्री धीरेन चंद्र शर्मा

श्री विष्णु कमल तामुली

*संपादक*

**डॉ. क्षीरदा कुमार शइकीया**

(मो. 9435340285)

*कार्यकारी संपादक*

रामनाथ प्रसाद

(मो. 9435147126)

*शब्द-संयोजन व अलंकरण*

रति कांत कलिता

वार्षिक शुल्क : दो सौ रुपये

अर्द्धवार्षिक : सौ रुपये

एक प्रति : बीस रुपये

*प्रकाशक*

**डॉ. क्षीरदा कुमार शइकीया**

मंत्री, असम राष्ट्रभाषा प्रचार समिति

गुवाहाटी-781032



'द्विभाषी राष्ट्रसेवक' में प्रकाशित लेखों में व्यक्त विचार एवं दृष्टिकोण लेखक के हैं। संपादक या प्रकाशक का उनसे सहमत होना आवश्यक नहीं है।



*लेखादि भेजने का पता :*

संपादक, द्विभाषी राष्ट्रसेवक

असम राष्ट्रभाषा प्रचार समिति,

रूपनगर, गुवाहाटी-781 032

फोन : (0361) 2462811, 2463394

फैक्स : 0361 - 2463394



ISSN 2321-4945 DWIBHASHI RASTRASEWAK    Postal Rgd. No. GH-127/2016-2018

असम राष्ट्रभाषा प्रचार समिति का

साहित्य-कला-संस्कृति विषयक मासिक मुख-पत्र


# द्विभाषी राष्ट्रसेवक


वर्ष : 8    अप्रैल, 2016    अंक : 1


## विषय-सूची

### हिंदी विभाग


- सामयिकी — 2
- बिहु का उपहार — राकेश पाठक — 3
- राष्ट्रीयता और हिंदी — चित्तरंजन लाल 'भारती' — 6
- 'मर गया दीपनाथ' और 'मैं हिंदू हूं' ... — थोंङाम भारती — 8
- बाल साहित्य एवं बाल मनोविज्ञान — राजकुमार जैन 'राजन' — 11
- हिंदीतर प्रदेशों में हिंदी शिक्षण की रणनीति — डॉ. अनुशब्द — 14
- अहिंदीभाषियों के लिए हिंदी शिक्षण-प्रशिक्षण — डॉ. अंजलि काकति — 18
- बिहु (कविता) — काकोली गोगोई वैश्य — 21
- ममता कुमारी शर्मा की दो कविताएँ — 22
- समिति समाचार — 23


### অসমীয়া বিভাগ


- বেজবৰুৱাৰ 'কদম কলি' — ৰাধাকৃষ্ণ চক্রৱর্ত্তী — ২৪
- বহাগ বিহু এটি আলোচনা — জোনটি দুৱৰা — ৩০
- বনফুল দেৱীৰ দুটি কবিতা — ৩২


**लेखक/लेखिकाओं से अनुरोध :** • 'द्विभाषी राष्ट्रसेवक' के लिए भेजे जाने वाले लेखादि साहित्य, कला, संस्कृति विषयक होने चाहिए। • भेजे गये लेखादि साफ अक्षरों में या टाइप कराकर ही भेजें। • अनूदित लेखों के लिए मूल लेख का उल्लेख करना अनिवार्य है।


Scanned with CamScanner

# বহাগ বিহু ঃ এটি আলোচনা

❖ জোনটি দুৱৰা ❖

কোনো এটা জাতি, গোষ্ঠীৰ বিভিন্ন উৎসৱ হৈছে সেই জাতি আৰু গোষ্ঠীৰ সংস্কৃতিৰ প্ৰতীক। মানৱ জাতিৰ সভ্যতাই ৰূপান্তৰ হয় সংস্কৃতিলৈ। সভ্যতা-সংস্কৃতিৰ ক্ৰমবিকাশ ঘটে যুগ-যুগ ধৰি অহা ঘাত-প্ৰতিঘাত, জীয়াই থকাৰ আশা-নিৰাশাৰ সংগ্ৰাম আৰু সমাজ ব্যৱস্থাৰ পৰা। অসমীয়া জাতিৰ বহু উৎসৱকেইটিও তেনেকৈয়ে সৃষ্টি হৈছিল বুলি ধাৰণা হয়। আমাৰ তিনিওটা বিহুৱেই কৃষিমূলীয়া। উল্লেখযোগ্য তিনিটা বিহুৰ ভিতৰত বহাগ বিহু বা ৰঙালী বিহুৱেই মুখ্য স্থান অধিকাৰ কৰি আহিছে। বহাগ বিহু আমাৰ অতিকৈ হেঁপাহৰ, আদৰৰ আৰু অতিকৈ চেনেহৰ। বিহুৰ গীত বা বিহুনাম বিলাকত ইয়াৰ স্পষ্ট ইংগিত পোৱা যায়।

'অতিকৈ চেনেহৰ মুগাৰে মহুৰা  
তাতোকৈ চেনেহৰ মাকো।  
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি  
নেপাতি কেনেকৈ থাকো।'

ৰঙালী বিহুৰ ইতিবৃত্ত আলচ কৰিলে আমি জানিবলৈ পাওঁ যে ঐতৰেয় ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থত উল্লেখ আছে - সূৰ্য দেৱতাৰ সন্মানাৰ্থে আৰু গৰু-ম'হৰ মংগলৰ নিমিত্তে 'বিষুৱন্ত' অৰ্থাৎ বসন্তকালীন দিন-ৰাতি সমান হ'বৰ দিনা গোৱাময়ন্ নামে উৎসৱ পালন কৰা হৈছিল। আমাৰ বহাগ বিহু বা ৰঙালী বিহু চ'ত-বহাগৰ দো মাহীৰ সময়ত (বসন্তকালীন দিন-ৰাতি সমান হোৱাৰ সময়ত) পতা হয়, ৰঙালী বিহুৰ প্ৰথম দিনা গৰু বিহু বোলে। দীঘলতি, মাখিয়তী আদি বনৰীয়া গছৰ ডাল-পাতেৰে গৰু-ম'হক গা ধুৱাই মংগল বিধায়ক মন্ত্ৰ মাতি জৰা-ফুকাৰ নিয়ম আছে। বৈদিক যুগৰ গোৱাময়ন্ উৎসৱত উৎস বিচাৰি পালেও আমাৰ ৰঙালী বিহু যুগে-যুগে নানা ৰূপ আৰু সলনিৰ মাজেদি গৰু বিহু, মানুহ বিহু, বিহুৱান, নৃত্য-গীত, হুঁচৰি, ম'হ যুঁজ, পিঠা-পনা, চিৰা-লাৰু আদি সামৰি লৈ ৰং-ৰহইচ আৰু আনন্দমুখৰ উৎসৱত পৰিণত হৈছে।

বহাগ বিহুৰ লগত প্ৰকৃতি, গছ-লতা, তৃণ-তৰু আৰু সামাজিকৰ পৰা ধৰ্মীয় দিশবিলাক ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাৰ প্ৰমাণ পোৱা যায়। প্ৰকৃতিৰ নিয়মানুসাৰে শীতৰ অন্তত সেউজীয়া সজীৱতা লৈ বসন্ত আহে। গছ-লতাই বৰণ সলায়। কুমলীয়া কুঁহিপাত আৰু মনোৰম ফুলেৰে ধৰিত্ৰীক মোহময়ী ৰূপত সজাই-পৰাই জাতিষ্কাৰ কৰি তোলে। কুলি-কেতেকীৰ সুৱদী গীতৰ বিননীয়ে ডেকা-গাভৰুৰ মন স্বভাৱতে উন্মাদ কৰে। বহাগৰ বৰষুণে খৰাং প্ৰকৃতিৰ বুকু জীপাল কৰি কৃষকক হাতবাউল দিয়ে। বহাগ আমাৰ জীৱনৰ আশাৰ ৰেঙণি। কেতেকী, নাহৰ, তগৰ, পলাশ, গোলাপ আদিৰ লগতে ভেবেলী লতা ফুলা মানে আমাক সজাগ কৰি দিয়ে আৱাহমান কালৰ পৰা পালন কৰি অহা বাপতিসাহোন বহাগ বিহুলৈ আৰু তেতিয়াই আনন্দত আত্মহাৰা হৈ বিহু পাতিছিল। অৰ্থাৎ প্ৰকৃতিৰ ওপৰত হে যেন নিৰ্ভৰ কৰি বিহু পাতিছিল অৰ্থাৎ আনন্দ কৰিছিল। আনন্দই আছিল তাহানিৰ বিহু। বিহু নাম সমূহত তাৰেই ইঙ্গিত পোৱা যায় -

'কুউ কুউ কৰি কুলিয়ে মাতিলে  
গছেও সলালে পাত,  
নাহৰ ফুল ফুলিলে কপৌ ফুল ফুলিলে  
বিহু বিহু লাগিছে গাত।



Scanned with CamScanner